**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Time :** 0900 Hrs.
**Date :** 17-1-2025

***Assamese Morning Bulletin***
**Headlines**

১। দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন। প্ৰধানমন্ত্ৰীৰ উপস্থিতিত সৰুসজাইত ১০ হাজাৰ শিল্পীৰ বাগৰুম্বা নৃত্যৰ অনুষ্ঠান।

২। প্ৰধানমন্ত্ৰী মোদীৰ আজি মালদহত কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী যাত্ৰা মুকলিৰ কাৰ্যসূচী।

৩। শিল্পী দিৱস উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন। বিশিষ্ট সংগীত শিল্পী ধনদা পাঠক আৰু মৰণোত্তৰভাৱে সমৰ হাজৰিকালৈ ২০২৬ বৰ্ষৰ শিল্পী বঁটা।

৪। শিক্ষা সেতু এপত বাধ্যতামূলকভাৱে উপস্থিতি প্ৰদান কৰিবলৈ জিলা আৰু খণ্ড পৰ্যায়ৰ বিষয়াসকলক সমগ্ৰ শিক্ষা, অসমৰ নিৰ্দেশ।

*আৰু*

৫। ৰাজ্যৰ ৪ খন জিলাত অগ্নিবীৰ নিযুক্তিৰ বাবে সূচীভুক্ত প্ৰাৰ্থীৰ সেনাৰ নিযুক্তি ৰেলী।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ধিয়া ৬ বজাত সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অংশস্বৰূপ বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কালি সমাপ্ত হোৱা বাগৰুম্বা নৃত্যৰ চূড়ান্ত আখৰাত ৰাজ্যৰ ২৩ খন জিলাৰ ৮১ টা সমষ্টিৰ পৰা অহা ১০ হাজাৰ শিল্পীয়ে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সৰুসজাই ষ্টেডিয়ামত উপস্থিত হৈ সমগ্ৰ পৰিবেশ তদাৰক কৰাৰ লগতে সমবেত শিল্পীসকলক সাহস আৰু অনুপ্ৰেৰণা যোগায়।

**বাইট ঃ মুখ্যমন্ত্ৰী**

প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ

আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰ্যটনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি কৃষিমন্ত্ৰী অতুল বৰাই আশা প্ৰকাশ কৰিছে।

বাইট (বৰা)

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **গুৱাহাটীৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মালদহ ৰে'ল ষ্টেচনৰ পৰা  কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰিব। আধুনিক ভাৰতৰ বৰ্ধিত পৰিবহণ চাহিদা অনুযায়ী সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে'লগাড়ীখনে বহনসাধ্য দৰত যাত্ৰীসকলক বিমান যাত্ৰাৰ দৰে সুবিধা আৰু অভিজ্ঞতা প্ৰদান কৰিব। এই ৰে'লগাড়ীখনে দূৰণিবটীয়া যাত্ৰা অধিক ক্ষিপ্ৰ, নিৰাপদ আৰু সুবিধাজনক কৰি তুলিব বুলি আশা কৰা হৈছে। মালদহ ৰে'ল ষ্টেচনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, অশ্বিনী বৈষ্ণৱ, সৰ্বানন্দ সোণোৱাল, অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সাংসদ বিজুলী কলিতা মেধিকে ধৰি আন কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকিব।

ooooooo

সমগ্ৰ ৰাজ্যতে আজি অসমীয়া সাংস্কৃতিক জগতৰ অন্যতম হোতা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শিল্পী দিৱস উদযাপন কৰা হৈছে। প্ৰতি বছৰে ১৭ জানুৱাৰীত তেওঁৰ মৃত্যু দিৱসৰ সৈতে সংগতি ৰাখি, নাটক, সংগীত, সাহিত্য, চলচ্চিত্ৰ আদি বিভিন্ন দিশত মহান শিল্পীগৰাকীয়ে আগবঢ়াই যোৱা অৱদানসমূহৰ বিষয়ে স্মৰণ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শিল্পী দিৱসৰ পবিত্ৰ ক্ষণত অসমীয়া সংস্কৃতিক নৱ চেতনাৰে জাতিস্কাৰ কৰা সুন্দৰৰ পূজাৰী,  মহান শিল্পী অসমীয়া কথাছবি পথদ্ৰষ্টা, স্বাধীনতা সংগ্ৰামী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ ৰূপকোঁৱৰৰ চিন্তা-চেতনাই আমাৰ সমাজ জীৱন আলোকিত কৰিব বুলি আশা প্ৰকাশ কৰে।

বাক্সা জিলাৰ বাগানপাৰাত কালিৰে পৰা দুদিনীয়াকৈ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ৰমেশ কলিতাই দুদিনীয়াকৈ অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ কালি মূল দুৱাৰ মুকলি কৰে। আজি হ'বলগীয়া মুকলি সভাত সদৌ অসম ছাত্ৰ সভাৰ কেন্দ্ৰীয় বিষয়ববীয়াসকল উপস্থিত থাকিব।

গোৱালপাৰা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু আগিয়া শতদল শাখা সাহিত্য সভাৰ সহযোগত জিলাখনৰ উৰপদ বিলৰ বাকৰিত শিল্পী দিৱস উপলক্ষে দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পতাকা উত্তোলন, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পন, সাহিত্যানুষ্ঠান, আৰু মুকলি সভা অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত সবিশেষ জনাইছে আমাৰ আকাশবাণীৰ সংবাদদাতা ৰাছিদুল হুছেইনে।

-বাইট-

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান ডিব্ৰুগড় জিলাৰ তামোলবাৰীত আজি বন্তি জ্বলাই শিল্পীগৰাকীৰ ৭৫ সংখ্যক মৃত্যু তিথি পালন কৰা হ'ব।

শিৱসাগৰ জিলাৰ প্ৰশাসনৰ উদ্যোগত আজি স্থানীয় জিলা পুথিভৰাল প্ৰাংগণত শিল্পী দিৱস ২০২৬ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তিনিটা শাখাত জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে মুকলি সভাৰো আয়োজন কৰা হৈছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। নিশা ৮ বাজি ২ মিনিটৰ পৰা বাতৰি বিভাগৰ বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাৰ লগতে বাতৰি বিভাগৰ ফেচবুক পেজ আৰু ইউটিউব চেনেলযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ফে'চবুক আৰু ইউটিউবত অনুষ্ঠানটো বিৰতিবিহীনভাৱে প্ৰচাৰিত হ'ব। অনুষ্ঠানটোৰ নিৰ্বাচিত অংশ কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত মহাবাহু চেনেলযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০০

অসম চৰকাৰৰ ২০২৬ বৰ্ষৰ শিল্পী বঁটাৰ বাবে বিশিষ্ট সংগীত শিল্পী ধনদা পাঠক আৰু মৰণোত্তৰভাৱে সমৰ হাজৰিকাক মনোনীত কৰা হৈছে। অহা ফেব্ৰুৱাৰীত হ'বলগীয়া এটা অনুষ্ঠানত শিল্পী বঁটা প্ৰদান কৰা হ'ব। একেদৰে বিশিষ্ট সাহিত্যিক মনেশ্বৰ দেউৰীক ২০২৫ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বঁটা, শিক্ষাবিদ ড° অমলেন্দু চক্ৰৱৰ্তীক গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা, নাট্যশিল্পী কৰুণা ডেকাক নটসূৰ্য ফণী শৰ্মা বঁটা, চলচ্চিত্ৰ নিৰ্মাতা অৰূপ মান্নাক ভবেন্দ্ৰ নাথ শইকীয়া বঁটা আৰু অৱণীৰঞ্জন পাঠকক বিজু ফুকন বঁটাৰে সন্মানিত কৰা হ'ব।

মৰণোত্তৰভাৱে শিল্পী বঁটা লাভ কৰা শিল্পী সমৰ হাজৰিকাই অসমীয়া লোক জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষাক সুৰৰ মাধুৰ্যৰে জনসাধাৰণৰ হৃদয়লৈ লৈ গৈছিল। লোকসংগীত, আধুনিক গীত আৰু সাংস্কৃতিক চেতনাৰে সমৃদ্ধ হাজৰিকাৰ সৃষ্টিসমূহ হৈছে অসমীয়া সংগীত ভাণ্ডাৰৰ অমূল্য সম্পদ।

কামৰূপীয়া আৰু গোৱালপৰীয়া লোকগীতৰ শিল্পী ধনদা পাঠকে দেশে-বিদেশে লোকগীত পৰিৱেশন কৰি সন্মান অৰ্জন কৰাৰ লগতে এশৰো অধিক কেছেটত কণ্ঠদান কৰিছে।

০০০০০০০

অহা ৬ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে এই আঁচনিৰ জৰিয়তে ৭৫ হাজাৰ যুৱকে দুই লাখ টকাকৈ লাভ কৰিব। তেওঁ লগতে কয়, যে স্নাতক পৰীক্ষাত উত্তীৰ্ণসকলক আৰ্থিকভাৱে সহায়ৰ অৰ্থে ১১ ফেব্ৰুৱাৰীত জীৱন প্ৰেৰণা আঁচনি মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে অহা ১০ ফেব্ৰুৱাৰীৰ ভিতৰত সকলোধৰণৰ নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব বুলি জানিবলৈ দিয়ে। গুৱাহাটী আৰু যোৰহাটত নিৰ্মীয়মান কেইবাখনো উৰণ

সেতুও ফেব্ৰুৱাৰীতে মুকলি কৰা হ'ব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে ডিব্ৰুগড়ত হ'বলগীয়া বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা অহা ৩০ জানুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্থাপন কৰিব বুলি জানিবলৈ দিয়ে।

ooooooo

সমগ্ৰ শিক্ষা, অসমে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সকলো জিলা আৰু খণ্ড পৰ্যায়ৰ বিষয়াক শিক্ষা সেতু এপত তেওঁলোকৰ উপস্থিতিৰ চিন দিবলৈ নিৰ্দেশ দিছে। সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালকে এই সন্দৰ্ভত নিৰ্দেশ জাৰি কৰিছে।

ooooooo

সেনা বাহিনীয়ে অসমৰ ৪ খন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাওঁ আৰু মৰিগাওঁত অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ হিচাপে নিযুক্তি দিয়াৰ বাবে ইতিমধ্যে সূচীভুক্ত কৰা প্ৰাৰ্থীসকলৰ বাবে নিযুক্তি ৰেলী ব্যৱস্থা কৰিছে। অহা ২২ ফেব্ৰুৱাৰীত মৰিগাঁও জিলাৰ প্ৰাৰ্থীসকলৰ বাবে এই ৰেলী অনুষ্ঠিত হ'ব। শোণিতপুৰ জিলাাৰ মিছামাৰী সেনা শিবিৰৰ যশৱন্ত সেনা শিবিৰত এই ৰেলীৰ আয়োজন কৰা হৈছে। যোগ্যতা সম্পন্ন প্ৰাৰ্থীয়ে ভাৰতীয় সেনা বাহিনীৰ ৱেবছাইট www.join*in***indian***army*.nic.in ৰ পৰা নিজৰ প্ৰবেশ পত্ৰ ডাউনলোড কৰিব পাৰিব।

ooooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত ঘন কুঁৱলীয়ে আৱৰি ৰাখিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

ooooooo

যোৰহাটৰ তৰাজান নিবাসী সৰবৰহী মহিলা মৃণালিনী গোস্বামীৰ যোৱা নিশা বাৰ্দ্ধক্যজনিক ৰোগত নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত অনুষ্ঠান কাৰ্যবাহী সঞ্জয় গোস্বামী মাতৃ মৃণালিনী গোস্বামীৰ তৰাজান পূজা মন্দিৰ আৰু তৰাজান হস্তশিল্প অনুষ্ঠানৰ সৈতে জড়িত আছিল।

oooooooo

আজি হবলগীয়া বাগৰুম্বা দহ ' , প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া অসম ভ্ৰমণ সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে বাতৰি প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে বাগৰুম্বা দ হ অনুষ্ঠানৰ বাবে ৰাজ্য চৰকাৰে ১০০ কোটি টকা ব্যয় কৰিব বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক মৃত্যু তিথিত তেওঁৰ তামোলবাৰীৰ বাসগৃহ

উপেক্ষিত হৈ ৰোৱা বুলি দৈনিক জনমভূমি কাকতে বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ভোটাৰ তালিকাৰ পুনৰীক্ষণত শ শ জীৱিত ভোটাৰক মৃত সজাই নাম কৰ্তনৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষণাত সূৰ্যৰ আভ্যনতৰত মাধ্যকৰ্ষণিক শক্তিৰ নতুন তথ্য প্ৰকাশ পাইছে। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বৈদিশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অনুমোদন সত্বেও অসমৰ কাৰাগাৰ সমূহ পৰিদৰ্শন কৰিবলৈ বিচাৰি বাংলাদেশৰ সহকাৰী উচ্চ আয়ুক্ত কাৰ্যালয়ৰৰ পত্ৰক ৰাজ্য চৰকাৰে কোনো সহাঁৰি দিয়া নাই।
The Assam tribune কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্য চৰকাৰে বাংলাদেশলৈ অসমৰ বিদ্যুৎ প্ৰেৰণ কৰাৰ পৰিকল্পনা কৰিছে। এই বাতৰিটোক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। তদন্তত গাফিলতি কৰাৰ বাবে ৰাজ্যৰ ৩ জন জ্যেষ্ঠ বিত্ত বিষয়ক নিলম্বন কৰা হৈছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আই এ এছ বিষয়া বিশ্বজিত পেগুক অসমত লোকপিয়ল অভিযানৰ সঞ্চালকৰ দ্বায়িত্ব অৰ্পণ কৰা হৈছে। The Sentinel কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

oooooooo

মাজুলীত পৰহিলৈ জাপানীজ এনকেফেলাইটিছৰ ছিটা প্ৰদান অভিযান আৰম্ভ হ'ব। ১৫ বছৰৰ পৰা ৬৫ বছৰ বয়সৰ সকলো প্ৰাপ্তবয়স্ক লোকক সামৰি ল'বলগীয়া এই কাৰ্য্যসূচী ২১ দিন ধৰি চলিব। এই প্ৰতিষেধক প্ৰদান কাৰ্য্যসূচী সম্পূৰ্ণ বিনামূলীয়া, নিৰাপদ আৰু ফলপ্ৰসূ হোৱাৰ লগতে ই দীৰ্ঘকালীন সুৰক্ষা প্ৰদান কৰিব। জিলা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে মাজুলী জিলাক জাপানী এনকেফেলাইটিছৰ পৰা মুক্ত কৰাৰ লক্ষ্যত উপনীত কৰাৰ বাবে সকলো নাগৰিককে এই প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

শ্ৰীভূমি জিলাতো ১৫ৰ পৰা ৬৫ বছৰ বয়সৰ লোকসকলক সামৰি জাপানী এনকেফেলাইটিছৰ প্ৰতিষেধক প্ৰদান কাৰ্য্যসূচী চলি আছে। শ্ৰীভূমিৰ ভাৰপ্ৰাপ্ত জিলা উন্নয়ন আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত এখন সভাত কালি প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লোৱা হয়। সভাত এই প্ৰতিষেধকে আগবঢ়োৱা দীৰ্ঘকালীন সুৰক্ষাৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা হয়।

oooooooo

যোৰহাট সাহিত্য মঞ্চই যোৰহাট সাহিত্য উৎসৱৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে প্ৰদান কৰা সাহিত্য বঁটাসমূহ ঘোষণা কৰিছে। বিশিষ্ট বিজ্ঞান লেখক, গল্পকাৰ, শিশু সাহিত্যিক,ঔপন্যাসিক অনন্ত কুমাৰ শৰ্মালৈ এইবছৰৰ জীৱনজোৰা সাধনা বঁটা আগবঢ়োৱা হৈছে। হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত বিশিষ্ট লেখক, শিক্ষাবিদ লক্ষ্মীনাথ তামুলীলৈ যোৰহাট প্ৰজ্ঞাৰত্ন বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত

থাকিব এটি স্মাৰক, সম্বৰ্ধনা পত্ৰ, গামোচা আৰু গ্ৰন্থৰ টোপোলা। আনহাতে, বিশিষ্ট লেখক, বিজ্ঞানী ড০ সোমেন্দ্ৰ নাথ বুঢ়াগোহাইক **অসম আৰু আহোম-প্ৰস্থৰ যোগৰ পৰা ১৮৩৮ খ্ৰীষ্টাব্দলৈকে** শীৰ্ষক গ্ৰন্থখনৰ বাবে আৰু জনপ্ৰিয় ঔপন্যাসিক শৰ্মিষ্ঠা প্ৰীতমলৈ তেওঁৰ **নীল সাগৰৰ শংখধ্বনি** শীৰ্ষক গ্ৰন্থখনৰ বাবে যোৰহাট সাহিত্য বঁটা আগবঢ়োৱা হৈছে।

০০০০০০০০

অসম বিধানসভা সচিবালয়ে অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ অধিবেশন অনুষ্ঠিত কৰাৰ অনুমতি বিচাৰি ৰাজ্যপাললৈ পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুসৰি ৰাজ্যপালে অনুমতি দিলে চৰকাৰে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিব বুলি বিধানসভা সচিবালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে সমাগত অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ বিধানসভাৰ অধিবেশনত পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে লেখানুদান দাখিল কৰা যাব।

০০০০০০০

নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত নামৰূপৰ গান্ধীময়দানত কালিৰেপৰা এম এল এ কাপ ৩ পইণ্ট জিৰ' অনুষ্ঠিত হৈছে। অসম ক্ৰিকেট সন্থাৰ সভাপতি তথা বিধায়ক তৰংগ গগৈয়ে এই প্ৰতিযোগিতা উদ্বোধন কৰি কয়, যে উৎসাহ আৰু প্ৰতিযোগিতামূলক মনোভাৱেৰে পৰিপূৰ্ণ এই প্ৰতিযোগিতাই ক্ৰীড়া প্ৰেমীসকলক আনন্দিত কৰিবলৈ সক্ষম হয়।

০০০০০০০

সমাপ্ত